# কৈশোৰ কালৰ বিকাশত সমনীয়া দলৰ ভূমিকা সম্পৰ্কে এক অধ্যয়ন

(স্নাতক উপাধিৰ বাবে প্ৰেৰিত প্ৰতিবেদন)

২০১৯-২০২০ বৰ্ষ


প্ৰস্তুত কৰ্তা

নামঃ কাকুমনি খনিকৰ

শ্ৰেণীঃ ষষ্ঠ ষাণ্মাসিক

ৰোল নংঃ 13610026

ৰেজিষ্ট্ৰেচন নংঃ S1731844

তত্বাৱধায়ক

ড° ৰশ্মি ৰেখা দুৱৰা

শিক্ষা বিভাগ

হেমচন্দ্ৰ দেৱগোস্বামী

মহাবিদ্যালয়

নিতাইপুখুৰী, শিৱসাগৰ

# প্ৰমাণ পত্ৰ

"কৈশোৰ কালৰ বিকাশত সমনীয়া দলৰ ভূমিকা" সম্পৰ্কে এক অধ্যয়ন শিক্ষাতত্ব বিভাগৰ ষষ্ঠ ষান্মাষিকৰ ছাত্ৰী কাকুমনি মনিকৰ য়ে সম্পন্ন কৰে আৰ একাদশ কাকতৰ দ্বিতীয় খন্ডৰ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগৰ স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল ।

16/10/2020

বিভাগীয় মূৰব্বী

Head Deptt. of Education H.D.G. College, Nitaipukhuri

শিক্ষাতত্ব বিভাগ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদালয়

নিতাইপুখুৰী

# প্ৰমাণ পত্ৰ

"কৈশোৰ কালৰ বিকাশত সমনীয়া দলৰ ভূমিকা সম্পৰ্কে এক অধ্যয়ন" শিক্ষাতত্ব বিভাগৰ ষষ্ঠ ষান্মাষিকৰ ছাত্ৰী কাকুমণি মানিকৰ যে সম্পন্ন কৰে আৰ একাদশ কাকতৰ দ্বিতীয় খন্ডৰ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগৰ স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল ।

15/10/2020

তত্বাৱধায়ক

শিক্ষাতত্ব বিভাগ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদালয়

নিতাইপুখুৰী

ঘোষণা পত্ৰ

---

" কৈশোৰ কালৰ বিকাশত সমনীয়া দলৰ ভূমিকা " সম্পৰ্কে এই অধ্যয়ন মোৰ নিজা । নিৰ্ধাৰিত তথ্যৰ ওপৰত ভিত্তি কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু শিক্ষা বিভাগলৈ স্নাতক উপাধিৰ বাবে আগবঢ়োৱা হৈছে।


কাকুমনি মনিকৰ

অনুসন্ধানকাৰী ছাত্ৰী

ষষ্ঠ ষাণ্মাষিক

শিক্ষাতত্ত্ব বিভাগ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

নিতাইপুখুৰী

# বিষয়সূচী ঃ


| প্ৰধান শিতান | পৃষ্ঠা নং |
| --- | --- |
| ১. শিৰোনাম | ১ |
| ২. লক্ষ্য আৰু উদ্দেশ্য | ১ |
| ৩. অধ্যয়নৰ পটভূমি | ১-২ |
| ৪.০ কাৰ্যপদ্ধতি | ২-৩ |
| ৪.১ তথ্য সংগ্ৰহৰ উৎস | ২ |
| ৪.২ জনসমষ্টি আৰু নমুনা | ২ |
| ৪.৩ তথ্য সংগ্ৰহৰ আহিলা | ২ |
| ৪.৪ তথ্য বিশ্লেষণ | ২ |
| ৪.৫ অধ্যয়নৰ সীমাবদ্ধতা | ৩ |
| ৫.০ অধ্যয়নৰ ফলাফল | ৩-৫ |
| ৫.১ কৈশোৰ কালৰ সামাজিক বিকাশত সমনীয়া দলৰ ভূমিকা | ৩ |
| ৫.২ কৈশোৰ কালৰ আৱেগিক বিকাশত সমনীয়া দলৰ ভূমিকা | ৪ |
| ৫.৩ কৈশোৰ কালৰ মানসিক বিকাশত সমনীয়া দলৰ ভূমিকা | ৪-৫ |
| ৬.০ সামৰণি | ৫ |
| ৭.০ গ্ৰন্থ তালিকা | ৬ |

## ১.০ শিৰোনাম (Title): কৈশোৰ কালৰ বিকাশত সমনীয়া দলৰ ভূমিকা সম্পৰ্কে এক অধ্যয়ন

২.০ লক্ষ্য আৰু উদ্দেশ্য (Aim and Objective) অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশসমূহ তলত দিয়া ধৰণৰ—

(ক) কৈশোৰ কালৰ সামাজিক বিকাশত সমনীয়া দলৰ ভূমিকা সম্পৰ্কে অধ্যয়ন কৰা।

(খ) কৈশোৰ কালৰ আবেগিক বিকাশত সমনীয়া দলৰ ভূমিকা সম্পৰ্কে অধ্যয়ন কৰা। আৰু

(গ) কৈশোৰ কালৰ মানসিক বিকাশত সমনীয়া দলৰ ভূমিকা সম্পৰ্কে অধ্যয়ন কৰা।

## ৩.০ অধ্যয়নৰ পটভূমি (Background of the Study)

শিক্ষা এক বিকাশশীল প্ৰক্ৰিয়া। শিক্ষাৰ যোগেদি এক অবিৰত আৰু ক্ৰমাগত গতিত ব্যক্তিয়ে বিকাশৰ পথত অগ্ৰসৰ হয়। শিক্ষা আৰু বিকাশে ব্যক্তিক নতুন পৰিবেশত সমাযোজন কৰি বিভিন্ন পৰিস্থিতিত খাপ খোৱাৰ ক্ষমতা প্ৰদান কৰে। বিকাশ বিৰামহীনভাৱে জীৱনৰ সুদীৰ্ঘ সময়ৰ লগত জড়িত হৈ থাকে, যাক চাৰিটা ভাগত বিভক্ত কৰিব পাৰি এই কেইটা হৈছে— শৈশৱকাল (Infancy), বাল্যকাল (Childhood), কৈশোৰ কাল (Adolescence) আৰু প্ৰাপ্তবয়স্ক কাল (Adulthood)।

কৈশোৰ কাল মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ স্তৰ। দৈহিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক সকলো দিশৰে দ্ৰুত আৰু গুণগত বিকাশ সাধনৰ স্তৰ। কৈশোৰ কাল যাক ইংৰাজীত 'Adolescence' বোলা হয়। এই 'Adolescence' শব্দটো লেটিন ভাষাৰ 'Adolescere' শব্দৰ পৰা উৎপত্তি হৈছে যাৰ অৰ্থ 'To grow' অৰ্থাৎ বৰ্দ্ধন হোৱা। শিক্ষাবিদ তথা দাৰ্শনিক সকলে কৈশোৰ কালৰ সময়সীমা বেলেগ বেলেগ ধৰণে উল্লেখ কৰিছে। ফৰাচী দাৰ্শনিক ৰুচোৱে তেওঁৰ 'এমিল' (Emile) নামৰ গ্ৰন্থত কৈশোৰ কালক দুটা ভাগত বিভক্ত কৰি ল'ৰালি কাল বা প্ৰাক্ কৈশোৰ কালক (Boyhood or early Adolescence) ১২-১৫ বছৰ বয়সলৈ আৰু বয়ঃপ্ৰাপ্তি বা শেহতীয়া কৈশোৰ কালক (Manhood or late Adolescence) ১৫-২০ বছৰ বয়সলৈ অন্তৰ্ভুক্ত কৰিছে। শিক্ষাবিদ আৰ্নেষ্ট জ'নচে কৈশোৰ কালক ১২-১৮ বছৰ বয়সত অন্তৰ্ভুক্ত কৰিছে। ৰাইবানে কৈশোৰ কালক দুটা ভাগত বিভক্ত কৰি আগতীয়া কৈশোৰ কাল (Pre Adolescence) ১২-১৪ বছৰ বয়সলৈ আৰু শেহতীয়া কৈশোৰ কালক (Late Adolescence) ১৪-১৮ বছৰ বয়সলৈ অন্তৰ্ভুক্ত কৰিছিল। শিক্ষাবিদ আৰু দাৰ্শনিকসকলৰ মাজত ভিন্নতা থাকিলেও একেবাৰে সাদৃশ্য নাই বুলি ক'ব নোৱাৰি। সাধাৰণতে, মানৱ জীৱনৰ ১২ বছৰ বয়সৰ পৰা ১৮ বছৰ বয়সলৈ সময়ছোৱাক কৈশোৰ কাল হিচাপে ধৰা হয়। এই সময়ছোৱাত ব্যক্তিৰ জীৱনৰ শাৰীৰিক, মানসিক, সামাজিক, আবেগিক আদি সকলো দিশতে অভিনৱত্ব প্ৰকাশ পায়। বাল্যকালৰ পৰাধীন জীৱন আৰু প্ৰাপ্তবয়স্কৰ স্বাধীন জীৱনৰ মাজৰ সময়চোৱাই হৈছে কৈশোৰ কাল। বিপৰীত লিংগকামিতা এই স্তৰৰ বিশেষ লক্ষণ। এই সময়চোৱাত কিশোৰ-কিশোৰীসকলে পৃথিৱীখনক কেতিয়াবা খুউব সুন্দৰভাৱে পৰিপূৰ্ণ বুলি ভাবে কেতিয়াবা আকৌ জীৱনক কাইটীয়া খলা বমা বুলি ভাবি বিপথগামী হোৱাও দেখা যায়। মনোবিজ্ঞানী সকলে এই স্তৰক জীৱনৰ জটিল তথা সংকটপূৰ্ণ কাল বুলি অভিহিত কৰিছে। আমেৰিকাত বিশিষ্ট চিন্তাবিদ ষ্টেনলি হলে (Stanley Hall) কৈশোৰ কালক ধুমুহা আৰু পীড়নৰ (Storm Stress) কাল বুলি আখ্যা দিছিল।

কৈশোৰ কালত ব্যক্তিয়ে নিজৰ অস্তিত্বৰ অনুসন্ধান কৰে। এই সময়ছোৱাত কিশোৰ কিশোৰীসকলে বন্ধুৰ লগত সময় অতিবাহিত কৰিব বিচাৰে। বিশিষ্ট মনোবিজ্ঞানী যিতা পোলাস্কী (Zita Polasky) ৰ মতে, "কিশোৰ কিশোৰীৰ সামাজিক বিকাশৰ আচৰণৰ প্ৰধান অস্ত্ৰ হ'ল সমনীয়া দল।" সমনীয়া দল (Peer group) মানে একে বয়সৰ, একেধৰণৰ কাম কৰা ইচ্ছাবোধ, একে মনোভাৱ আৰু একে মৰ্যাদাবোধ থকা সমনীয়া

সমষ্টি। সমনীয়া দলৰ প্ৰত্যেকৰে মাজত 'আমি ভাৱ'ৰ (we feeling) অনুভূতি জাগ্ৰত হয়। সমনীয়াসকলৰ লগত উঠা আন্তঃসম্বন্ধই তেওঁলোকৰ ব্যক্তিত্ব তথা আচৰণ গঢ়াত সহায় কৰে। সমনীয়া দলে কিশোৰ কিশোৰীৰ বৌদ্ধিক, মানসিক, সামাজিক, আবেগিক আদি সকলো দিশতে পৰিপক্কতা লাভত সহায় কৰে। কিশোৰ কিশোৰীসকলৰ ক্ষেত্ৰত সমনীয়া দলৰ সুপ্ৰভাৱ অৰ্থাৎ ইতিবাচক আৰু কু-প্ৰভাৱ অৰ্থাৎ নেতিবাচক দুয়োটাই পৰিব পাৰে।

কৈশোৰ কালৰ বিকাশত সমনীয়া দলে কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে এই সম্পৰ্কে জানিবৰ বাবে উক্ত অধ্যয়নটি নিৰ্বাচিত কৰা হ'ল। শিৱসাগৰ জিলাৰ নিতাইপুখুৰী অঞ্চলত অধ্যয়ন কাৰ্য সমাপন কৰা হৈছে।

### ৪.০ কাৰ্যপদ্ধতি (Methedology) ঃ

উল্লেখিত লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি বৰ্ণনাত্মক পৰ্যবেক্ষণ পদ্ধতিৰে এই অধ্যয়ন কাৰ্য সমাপন কৰা হৈছে।

### ৪.১ তথ্য সংগ্ৰহৰ উৎস (Source of data Collection) ঃ

এই অধ্যয়নত প্ৰধানকৈ দুটা উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। উৎস দুটা হৈছে—মুখ্য উৎস আৰু গৌণ উৎস। মুখ্য উৎস হিচাপে ৩০ জন (১২-১৮ বছৰ বয়সৰ) সমনীয়া ল'ৰা-ছোৱালীৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। গৌণ উৎস হিচাপে পাঠ্যপুথি,গ্ৰন্থ, প্ৰসংগমূলক গ্ৰন্থ, ইণ্টাৰনেটৰ সহায় লোৱা হৈছে।

### ৪.২. জনসমষ্টি আৰু নমুনা (Population and Sample) ঃ

উক্ত অধ্যয়নৰ বাবে মুঠ জনসমষ্টি লোৱা হৈছে ১২-১৮ বছৰ বয়স সীমাৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰী। তাৰে ১০ জন ছাত্ৰ আৰু ২০ গৰাকী ছাত্ৰী। ছাত্ৰ-ছাত্ৰীৰ এই সমনীয়া দলটো নিতাইপুখুৰী অঞ্চলৰ পৰা নিৰ্বাচন কৰা হৈছে।

**তালিকা নং-১**

**জনসমষ্টি আৰু নমুনা দলৰ শ্ৰেণীকৰণ**

| ক্ৰমিক নং | অঞ্চলৰ নাম | মুঠ জনসমষ্টি আৰু নমুনা দল | নমুনা |
|---|---|---|---|
| ১ | নিতাইপুখুৰী | ছাত্ৰ | ১০ |
| ২ | নিতাইপুখুৰী | ছাত্ৰী | ২০ |
| মুঠ | - | - | ৬০ |

### ৪.৩ তথ্য সংগ্ৰহৰ আহিলা (Material of Data Collection)

উক্ত অধ্যয়ন কাৰ্যৰ প্ৰয়োজনীয় তথ্য সামগ্ৰী আহৰণ কৰিবৰ বাবে তিনিখন প্ৰশ্নসূচী প্ৰস্তুত কৰি ব্যৱহাৰ কৰা হৈছে। শিক্ষণ সঁজুলি হিচাপে কাগজ কলমৰ লগতে অনুসন্ধানকাৰীৰ পৰ্যবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

### ৪.৪ তথ্য বিশ্লেষণ (Analysis of Data)

তথ্য বিশ্লেষণ কৰোঁতে প্ৰাপ্ত তথ্যৰ ওপৰত ভিত্তি কৰি বৰ্ণনাত্মক বিশ্লেষণ পদ্ধতি ব্যৱহাৰ কৰা হৈছে। পৰিসাংখ্যিক পদ্ধতি যেনে শতকৰা হাৰ (%) ব্যৱহাৰ কৰা হৈছে।

## ৪.৫ অধ্যয়নৰ সীমাবদ্ধতা (Limtations of the Study) ঃ

উক্ত অধ্যয়নৰ সীমাবদ্ধতা তলত দিয়া ধৰণৰ—

(১) শিৱসাগৰ জিলাৰ নিতাইপুখুৰী অঞ্চলত এই অধ্যয়ন সীমাবদ্ধ কৰা হৈছে।

(২) ১২ বছৰ বয়সৰ পৰা ১৮ বছৰ বয়স সীমাৰ ৩০ জন সমনীয়া ল'ৰা-ছোৱালীৰ লগত এই অধ্যয়ন সীমাবদ্ধ কৰা হৈছে।

## ৫.০ অধ্যয়নৰ ফলাফল (Finding of the Study) ঃ

অধ্যয়নৰ ফলাফলসমূহ তলত দিয়া ধৰণৰ—

### ৫.১ কৈশোৰ কালৰ সামাজিক বিকাশত সমনীয়া দলৰ ভূমিকা ঃ

কৈশোৰ কালৰ সামাজিক বিকাশত আটাইতকৈ প্ৰভাৱান্বিত কৰা কাৰকটো হৈছে সমনীয়া দল (Peer group)। কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত সমনীয়া দলে বিভিন্ন ধৰণে কাৰ্য সম্পাদন কৰে। কৈশোৰ কালৰ সামাজিক বিকাশৰ ক্ষেত্ৰত সমনীয়া দলৰ প্ৰভাৱ ইতিবাচক আৰু নেতিবাচক দুয়ো ধৰণৰ হ'ব পাৰে।

### কৈশোৰ কালৰ সামাজিক বিকাশত সমনীয়া দলৰ ইতিবাচক প্ৰভাৱ (Positive Influence)

* সমনীয়াৰ লগত নিজৰ ভাব-অনুভূতি আদান প্ৰদান কৰি গঢ়ি উঠা আন্তঃসম্বন্ধই কিশোৰ-কিশোৰীৰ ব্যক্তিত্ব তথা আচৰণ গঠনমূলক দিশত আগবাঢ়ি যোৱাত সহায় কৰে।
* কিশোৰ-কিশোৰীসকলে সমনীয়াৰ লগত বিভিন্ন পৰিৱেশত সহযোগিতা, বন্ধুত্বভাৱেৰে সময় অতিবাহিত কৰে। গতিকে সামাজিকীকৰণৰ ক্ষেত্ৰত কিশোৰ-কিশোৰীসকলে সহযোগিতা, বুজাবুজি, ঐক্যবদ্ধতা, শৃংখলাবোধ এই সকলো দিশৰ শিক্ষা সমনীয়া দলৰ পৰা লাভ কৰে।
* সমনীয়া দলৰ সহায়ত কিশোৰ-কিশোৰীৰ সামাজিক সচেতনতা বৃদ্ধি পায়।
* কিশোৰ-কিশোৰীসকলে সমনীয়া দলৰ লগত সমন্বয়, সহযোগিতা আৰু একতাৰে বান্ধ খায় থাকে। যি কিশোৰ-কিশোৰীক সামাজিক কৌশল শিকাত সহায় কৰে।
* সমনীয়া দলে কিশোৰ-কিশোৰীসকলক বিদ্যালয় পৰিবেশত দলগতভাৱে বিভিন্ন ধৰণৰ সহ পাঠ্যক্ৰমিক কাৰ্যসূচীত অংশগ্ৰহণ কৰাত সমৰ্থন প্ৰদান কৰে। যেনে—পৰিৱেশ নিকাকৰণ কাৰ্যসূচী, সাংস্কৃতিক কাৰ্যসূচী, ক্ৰিয়ামূলক কাৰ্যসূচী, বৌদ্ধিক উৎকৰ্ষ সাধনৰ কাৰ্যসূচী, বিভিন্ন ধৰণৰ বিদ্যায়তনিক সভা সমিতি ইত্যাদি।

### কৈশোৰ কালৰ সামাজিক বিকাশত সমনীয়া দলৰ নেতিবাচক প্ৰভাৱ (Negative Influence) ঃ

কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত সমনীয়া দলৰ নেতিবাচক প্ৰভাৱ পৰা দেখা যায়।

* সমনীয়া দলে মৰ্যাদা প্ৰদান নকৰা বাবে কিশোৰ-কিশোৰীয়ে নিজ বিশ্বাস আৰু মূল্যবোধ হেৰুৱা দেখা যায়।
* সমনীয়া দলে আত্ম মৰ্যাদা বৃদ্ধিত সহায় নকৰাত কিশোৰ-কিশোৰীয়ে আত্ম পৰিচয় দাঙি ধৰাত বাধাপ্ৰাপ্ত হয়।

## ৫.২ কৈশোৰ কালৰ আৱেগিক বিকাশত সমনীয়া দলৰ ভূমিকা ঃ

সমনীয়া দলে কিশোৰ-কিশোৰীৰ আবেগিক পৰিপক্কতা লাভতো সহায় কৰে। ব্যক্তিগতভাৱে আশা-নিৰাশা, প্ৰেম প্ৰীতি, হতাশা, অনিশ্চয়তা, ইচ্ছা-অনিচ্ছা, ঈৰ্ষা হিংসা আদি অনেক পৰিস্থিতিয়ে কিশোৰ-কিশোৰীক আবেগিক কৰি তোলে। এনে পৰিস্থিতিত সমনীয়া দলৰ (Peer group) প্ৰভাৱ অপৰিসীম। কৈশোৰ কালৰ আৱেগিক বিকাশৰ ক্ষেত্ৰত সমনীয়া দলৰ প্ৰভাৱ ইতিবাচক (Positive) আৰু নেতিবাচক (Negative) দুয়োৰে হোৱা দেখা যায়।

### কৈশোৰ কালৰ আৱেগিক বিকাশত সমনীয়া দলৰ ইতিবাচক প্ৰভাৱ (Positive Influence) ঃ

- কিশোৰ-কিশোৰীৰ আবেগ-অনুভূতিক সমনীয়া দলে গুৰুত্ব প্ৰদান কৰি আৱেগিকভাৱে সমৰ্থন প্ৰদান কৰে।
- সমনীয়াৰ লগত নিজৰ খং, ভয়, ভাললগা, বিৰক্তি আদি আৱেগিক অনুভূতি প্ৰকাশ কৰি কিশোৰ-কিশোৰীসকলে আৱেগিকভাৱে নিৰাপত্তা লাভ কৰে।
- কিশোৰ-কিশোৰীৰ সুখ-দুখৰ সময়ত সমনীয়া সকল সমভাগী হোৱা দেখা যায়।
- সমনীয়া দলে কিশোৰ কিশোৰীসকলক হতাশা, নিৰাশা, বিষন্নতা, উগ্ৰবাদিতা, বিচ্ছিন্নতা আদি আবেগিক সমস্যাসমূহ সমাধানত সহায় কৰে।
- সমনীয়া দলৰ সংগত কিশোৰ-কিশোৰীসকলে আবেগিক জীবনৰ প্ৰয়োজন সমূহ বিভিন্ন দিশৰ জৰিয়তে প্ৰকাশ কৰাৰ সুযোগ লাভ কৰে। যেনে—নৃত্য গীত, কলা সাহিত্য, আবৃত্তি, অভিনয়, খেলা ধূলা আদি নিজে মনে বিচৰা কাৰ্যৰ যোগেদি আবেগিক প্ৰয়োজন পূৰণ কৰি আবেগিক দিশত আগবাঢ়ি যায়।

### কৈশোৰ কালৰ আৱেগিক বিকাশত সমনীয়া দলৰ নেতিবাচক প্ৰভাৱ (Negative Influence)

- সমনীয়া দলৰ সঙ্গত পৰি কিশোৰ-কিশোৰী সকল কেতিয়াবা অভিভাৱকৰ অবাধ্য হোৱা দেখা যায়।
- সমনীয়া দলৰ প্ৰৰোচনাত পৰি কিশোৰ-কিশোৰীসকল কেতিয়াবা শিক্ষক-শিক্ষয়িত্ৰীৰ অবাধ্য হোৱা দেখা যায়।
- সমনীয়াৰ লগত নিজৰ আৱেগিক অনুভূতি সমূহ প্ৰকাশ কৰাৰ সুযোগ নাপালে কিশোৰ-কিশোৰীসকল আৱেগ প্ৰবল হোৱা দেখা যায়।

## ৫.৩ কৈশোৰ কালৰ মানসিক বিকাশত সমনীয়া দলৰ ভূমিকা ঃ

কৈশোৰ কালত মানসিক বিকাশো দ্ৰুতগতিত হোৱা পৰিলক্ষিত হয়। চিন্তা শক্তি যুক্তিসংগত, বিজ্ঞানসন্মত আৰু বিমূৰ্ত বিষয়ক হোৱা পৰিলক্ষিত হয়। মানসিক বিকাশতো সমনীয়াৰ প্ৰভাৱ অপৰিসীম এই প্ৰভাৱ ইতিবাচক, নেতিবাচক দুয়ো ধৰণৰ হ'ব পাৰে।

### কৈশোৰ কালৰ মানসিক বিকাশত সমনীয়া দলৰ ইতিবাচক প্ৰভাৱ (Positive Influence)

- সমনীয়া দলৰ আগত নিজৰ ৰুচি অভিৰুচি, চিন্তা ভাবনা প্ৰকাশ কৰি কিশোৰ কিশোৰীসকলে মানসিকভাৱে উৎকৰ্ষ সাধন কৰে।

- কিশোৰ কিশোৰীসকলে সমনীয়াৰ লগত সময় অতিবাহিত কৰি নিৰাপত্তা অনুভৱ কৰে।

- কিশোৰ কিশোৰীসকলে পাঠ্যক্ৰমিক কাৰ্যসূচীত সমনীয়া দলৰ লগত একেলগে অংশগ্ৰহণ কৰি আনন্দিত হোৱা দেখা যায়। সমনীয়া দলে পাঠ্যক্ৰমিক কাৰ্যসূচীত সহায় কৰা দেখা যায়।

- সমনীয়া দলে কিশোৰ কিশোৰীসকলক বিভিন্ন সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীত অংশগ্ৰহণত সহযোগিতা আৰু উৎসাহ প্ৰদান কৰে।

- সমনীয়া দলে কিশোৰ কিশোৰীসকলক সমস্যা বিশ্লেষণ কৰা আৰু সমাধানৰ ক্ষেত্ৰত সহায় কৰি মানসিক বিকাশত আগবাঢ়ি যোৱাত অৰিহণা যোগায়।

- সমনীয়া দলৰ লগত কিশোৰ কিশোৰীসকলে বিভিন্ন বিষয় যেনে— কলা, বিজ্ঞান, বাণিজ্য, সৃষ্টিশীল সাহিত্য, মনোৰঞ্জন, ব্যঞ্জন, খেল-ধেমালী, জনসংযোগ মাধ্যম, ভ্ৰমণ ইত্যাদি বিষয়ত আলোচনাত লিপ্ত হয়, যি তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধনত সহায়ক হয়।

**কৈশোৰ কালৰ মানসিক বিকাশত সমনীয়া দলৰ নেতিবাচক প্ৰভাৱ (Negative Influence) :**

- সমনীয়া দলৰ লগত নিজৰ অনুভৱ, ভাব চিন্তা প্ৰকাশ কৰাৰ সুযোগ নোপোৱাত কিশোৰ কিশোৰী সকল মানসিকভাৱে আঘাতপ্ৰাপ্ত হোৱা দেখা যায়।

কিশোৰ কিশোৰীসকলে প্ৰদৰ্শন কৰা যুক্তিক সমনীয়া দলে সমৰ্থন নকৰা বাবে, তেওঁলোকে নিজ বিশ্বাস আৰু মূল্যবোধ হেৰুৱা দেখা যায়।

## ৬.০ সামৰণি (Conclusion)

কিশোৰ কিশোৰীৰ সৰ্বাংগীন বিকাশত সমনীয়া দলৰ প্ৰভাৱ অপৰিসীম। সমনীয়াৰ মনোভাব, আচৰণ, চিন্তা আদিয়ে কিশোৰ-কিশোৰীৰ ওপৰত সুস্থ-অসুস্থ দুয়ো ধৰণৰ প্ৰভাৱ পেলায়। মানৱ জীৱনৰ অতি গুৰুত্বপূৰ্ণ স্তৰ 'কৈশোৰ কাল' চোৱাত সমনীয়াৰ সংগই যাতে বিপথে পৰিচালিত নকৰে তাৰ বাবে অভিভাৱক, শিক্ষক শিক্ষয়িত্ৰী আৰু বয়সস্থসকলে সৰ্তক দৃষ্টি ৰখাটো অতি বাঞ্চনীয়।

— o —

HoD

৭.০ গ্ৰন্থ তালিকা (Reference) ঃ


Deka, N., Baruah, Gogoi, M. and Bezbaruah, P.
*UCHCHATAR MADHYAMIK SHIKSHA* :
Banlata (2016) ; PP69-73.

Thakur, S., & Goswami, *R.K. Educational Psychology and* Educational Statistics : Banlata (2005) ; PP44-52.

Saikia, L., Das, P, Kalita, P. & Saikia, *N. Shikshar Somajtatik Buniad*: Student Store : Gauhati (2019), PP60-62.

htlps: // diettsk. files. wordpress.

mooc. nios. ac. in > pluginfile


Ajni
HoD

## ৭.০ গ্ৰন্থ তালিকা (Reference) ঃ

Deka, N., Baruah, Gogoi, M. and Bezbaruah, P.
*UCHCHATAR MADHYAMIK SHIKSHA :*
Banlata (2016) ; PP69-73.

Thakur, S., & Goswami, *R.K. Educational Psychology and* Educational Statistics : Banlata (2005) ; PP44-52.

Saikia, L., Das, P, Kalita, P. & Saikia, *N. Shikshar Somajtatik Buniad:* Student Store : Gauhati (2019), PP60-62.

htlps: // diettsk. files. wordpress.

mooc. nios. ac. in > pluginfile

HoD

# কৈশোৰ কালৰ সামাজিক বিকাশত সমনীয়া দলৰ ভূমিকা

## প্ৰশ্ন পত্ৰ ঃ ১

ছাত্ৰ-ছাত্ৰীৰ তথ্য ঃ

(১) নাম ঃ

(২) শ্ৰেণী ঃ

(৩) বয়স ঃ

(৪) ঠিকনা ঃ

বিদ্যালয় /মহাবিদ্যালয়ৰ তথ্য ঃ

(১) বিদ্যালয় /মহাবিদ্যালয় নাম ঃ

(২) ঠিকনা ঃ

১। তুমি সমনীয়াৰ লগত থাকি ভাল পোৱানে ? পাওঁ ☐ নাপাওঁ ☐

২। তুমি সকলো সমনীয়াকে ভাল পোৱানে? পাওঁ ☐ নাপাওঁ ☐

৩। তোমাৰ বিশেষ বন্ধু আছেনে? আছে ☐ নাই ☐

৪। তুমি সমনীয়াৰ লগত নিজৰ ভাব অনুভূতি আদান প্ৰদান কৰানে? কৰো ☐ নকৰো ☐

৫। তুমি সমনীয়াৰ লগত বিভিন্ন পৰিৱেশত সহযোগিতা, বন্ধুত্ব ভাৱেৰে সময় অতিবাহিত কৰানে? কৰো ☐ নকৰো ☐

৬। তুমি সমনীয়াৰ মৰ্যদাৰ প্ৰতি সচেতন নে? হয় ☐ নহয় ☐

৭। সমনীয়া দলে সামাজিক সচেতনতা বৃদ্ধিত সহায় কৰেনে? কৰে ☐ নকৰে ☐

৮। তুমি সমনীয়া দলৰ লগত সমন্বয়, সহযোগিতা আৰু একতাৰে বান্ধ খায় থাকা নে? থাকো ☐ নাথাকো ☐

৯। সমনীয়া দলে আত্ম-মৰ্যাদা বৃদ্ধিত সহায় কৰে নে? কৰে ☐ নকৰে ☐

১০। তুমি সমনীয়াৰ লগত দলগতভাৱে বিদ্যালয় পৰিৱেশত বিভিন্ন ধৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছা নে?

কৰিছো ☐ নাইকৰা ☐

যদি অংশগ্ৰহণ কৰিছা, কাৰ্যসূচীসমূহ এনেধৰণৰ—

(ক)

(খ)

(গ)

(ঘ)

.........................................
তথ্য সংগ্ৰহকাৰীৰ স্বাক্ষৰ

.........................................
তথ্য দানকাৰীৰ স্বাক্ষৰ

# কৈশোৰ কালৰ আৱেগিক বিকাশত সমনীয়া দলৰ ভূমিকা

## প্ৰশ্ন পত্ৰ ঃ ২

**ছাত্ৰ-ছাত্ৰীৰ তথ্য ঃ**

(১) নাম ঃ

(২) শ্ৰেণীঃ

(৩) বয়স ঃ

(৪) ঠিকনা ঃ

**বিদ্যালয়/মহাবিদ্যালয়ৰ তথ্য ঃ**

(১) বিদ্যালয় /মহাবিদ্যালয় নাম ঃ

(২) ঠিকনা ঃ

১। তোমাৰ আৱেগ অনুভূতিক সমনীয়াই গুৰুত্ব দিয়েনে? দিয়ে ☐ নিদিয়ে ☐

২। তুমি সমনীয়াৰ লগত নিজৰ খং, ভয়, ভাললগা, বিৰক্তি আদি আৱেগিক অনুভূতি প্ৰকাশ কৰে নে? কৰো ☐ নকৰো ☐

৩। তোমাৰ সুখ-দুখৰ সময়ত সমনীয়া সকল সমভাগী হয় নে? হয় ☐ নহয় ☐

৪। সমনীয়া দলে হতাশা, নিৰাশা, বিষণ্ণতা আদি অৱস্থাত সহায় কৰে নে? কৰে ☐ নকৰে ☐

৫। সমনীয়া দলে উগ্ৰবাদিতা, বিচ্ছিন্নতা আদি আৱেগিক সমস্যাৰ সময়ত সহায় কৰে নে? কৰে ☐ নকৰে ☐

৬। তুমি কেতিয়াবা সমনীয়াৰ সংগত পৰি মা-দেউতাৰ অবাধ্য হৈছা নেকি? হৈছো ☐ নাই হোৱা ☐

৭। তুমি কেতিয়াবা সমনীয়াৰ প্ৰৰোচনাত পৰি বিদ্যালয়ত শিক্ষকৰ অবাধ্য হৈছা নেকি? হৈছো ☐ নাই হোৱা ☐

৮। তোমাক সমনীয়া দলে আৱেগিক জীৱনৰ বিভিন্ন প্ৰয়োজন সমূহ প্ৰকাশত সহায় কৰে নে? কৰে ☐ নকৰে ☐

যদি কৰে, কাৰ্যকলাপসমূহ এনেধৰণৰ—

(ক)

(খ)

(গ)

(ঘ)

..................................................      ..................................................

তথ্য সংগ্ৰহকাৰীৰ স্বাক্ষৰ      তথ্য দানকাৰীৰ স্বাক্ষৰ